**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***<u>HEADLINES</u>***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ বিবেচনাপূৰ্ণ প্ৰয়োগৰ হকে আহ্বান জনাইছে।

২। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ চতুৰ্থ টু প্লাছ টু অৰ্থাৎ প্ৰতিৰক্ষা আৰু বিদেশ সচিব পৰ্যায়ৰ বৈঠক আজি নতুন দিল্লীত আনুষ্ঠিত হয়।

৩। নিৰ্বাচন আয়োগে আজি মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব।

৪। প্ৰাক্তন ৰাষ্ট্ৰপতি আৰু প্ৰসিদ্ধ বিজ্ঞানী এ পি জে আব্দুল কালামৰ আজি জন্ম বাৰ্ষিকী। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতিলৈ শ্ৰদ্ধা নিবেদন কৰিছে।

*আৰু*

৫। গোলাঘাটৰ অনামিত্ৰা গোৱালাই ৰাষ্ট্ৰীয় ডবা প্ৰতিযোগিতাৰ ১৪ বছৰ অনুৰ্ধৰ ছোৱালী শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুৰক্ষা, মৰ্যদা আৰু ক্ষমতা সকলো আলোচনাৰ কেন্দ্ৰ হোৱা উচিত বুলি উল্লেখ কৰি কৃত্ৰিম বুদ্ধিমত্তাৰ বিবেচনাপূৰ্ণ প্ৰয়োগৰ হকে আহ্বান জনাইছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘ আই টি উইৰ বিশ্ব দূৰসংযোগ মান নিৰ্ধাৰণ সভা ২০২৪ মুকলি কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। তেওঁ কয় যে, বিশ্ব দূৰসংযোগ মান নিৰ্ধাৰণ সভাই গোলকীয় মানৰ হকে কাম কৰে আৰু ভাৰতীয় মোবাইল সভাই সেৱা ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শ্ৰী মোদীয়ে কয় যে, ভাৰত সম্প্ৰতি দূৰসংযোগ আৰু আনুষংগিক প্ৰযুক্তি ক্ষেত্ৰৰ সবাটোকৈ সক্ৰিয় দেশৰূপে পৰিগণিত হৈছে। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়—

***ঃঃ বাইট ঃঃ***

তেওঁ কয় যে, ভাৰতে সমাজৰ শেষজন ব্যক্তিলৈ সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ডিজিটেল যোগাযোগক ফলপ্ৰসূ আহিলাৰূপে গঢ়ি তুলিছে। দেশৰ ডিজিটেল দৃষ্টিভংগী-কম খৰচী আহিলা, সৰ্বত্ৰ যোগাযোগ, বহনক্ষম ডেটা আৰু ডিজিটেল প্ৰথম এই চাৰিটা স্তম্ভৰ ওপৰত আধাৰিত বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে ভাৰত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ বজাৰ ৰূপে পৰিগণিত হৈছে আৰু চৰকাৰে বৰ্তমান ছিক্স-জি প্ৰযুক্তি সন্দৰ্ভত ব্যাপকভাৱে কাম কৰি আছে। দেশৰ প্ৰায় প্ৰতিখন জিলাই ফাইভ-জি নেটৱৰ্কৰ দ্বাৰা সংযুক্ত বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে দূৰ সংযোগ খণ্ডৰ সূচনা কৰা সংস্কাৰ আৰু উদ্ভাৱন কল্পনাতীত আৰু অভূতপূৰ্ব। প্ৰধানমন্ত্ৰীয়ে

কয় যে, ২০১৪ চনত ভাৰতত মাত্ৰ দুটা ম'বাইল ফোন উৎপাদনকাৰী গোট আছিল আৰু সম্প্ৰতি এনে গোটৰ সংখ্যা ২০০ ৰো অধিক হৈছে। তেওঁ কয় যে, ভাৰত ম'বাইল ৰপ্তানিকাৰী দেশ হিচাপে জনাজাত হৈছে আৰু ভাৰতে বিশ্বলৈ দেশত নিৰ্মাণ কৰা ফোন যোগান ধৰি আহিছে। ভাৰতে মহিলাৰ বাবে প্ৰযুক্তি নেতৃত্ব ক্ষেত্ৰত ভালেমান সুযোগ সৃষ্টি কৰিছে বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। এই প্ৰশংগত শ্ৰী মোদীয়ে ড্ৰোনৰ ব্যৱহাৰেৰে কৃষি ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰা চৰকাৰৰ নমো ড্ৰোন দিদি উদ্যমৰ কথা উল্লেখ কৰে। ৰাষ্ট্ৰসংঘৰ ডিজিটেল প্ৰযুক্তি সংস্থা বিশ্ব দূৰসংযোগ মান নিৰ্ধাৰণ সভা হৈছে আন্তঃৰাষ্ট্ৰীয় দূৰ সংযোগ সংঘৰ কামকাজৰ মান নিৰ্ধাৰণৰ সন্মিলন আৰু প্ৰতি চাৰি বছৰৰ মূৰে মূৰে এই সন্মিলনৰ আয়োজন কৰা হয়। ভাৰত আৰু এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলত প্ৰথমবাৰৰ বাবে এই সভাৰ আয়োজন কৰা হৈছে।শ্ৰী মোদীয়ে এই অনুষ্ঠানত ভাৰতীয় মোবাইল সভাৰ অষ্টম সংস্কৰণো মুকলি কৰে।

বিশ্ব দূৰসংযোগ মান নিৰ্ধাৰণ সভা গুৰুত্বপূৰ্ণ গোলকীয় অনুষ্ঠান। এই অনুষ্ঠানত ১৯০ খন দেশৰ দূৰ সংযোগ, ডিজিটেল আৰু তথ্য প্ৰযুক্তি খণ্ডৰ তিনি হাজাৰৰো অধিক উদ্যোগপতি, নীতি প্ৰনেতা আৰু কাৰিকৰী বিশেষজ্ঞই অংশগ্ৰহণ কৰিছে। এই সভাই ৰাষ্ট্ৰসমূহক ছিক্স-জি, কৃত্ৰিম বুদ্ধিমত্তা, বিগ ডেটা, ইণ্টাৰনেট অব থিংকছ আৰু ছাইবাৰ সুৰক্ষাৰ লেখীয়া পৰৱৰ্তী প্ৰজন্মৰ জটিল প্ৰযুক্তি বিষয়ে আলাপ-আলোচনা আৰু ভৱিষ্যৎ নিৰ্ধাৰণ কৰাৰ সুযোগ প্ৰদান কৰিব। ভাৰতে এই সভাৰ আয়োজনেৰে গোলকীয় দূৰ সংযোগ কাৰ্যসূচী তথা ভৱিষ্যৎ প্ৰযুক্তিৰ দিশ নিৰ্ধাৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ সুযোগ লাভ কৰিব। ভাৰতীয় ষ্টাৰ্ট আপ আৰু গৱেষণা প্ৰতিষ্ঠানসমূহে বৌদ্ধিক সম্পত্তিৰ অধিকাৰ আৰু মানক আৱশ্যকীয় পেটেণ্টৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিব।

০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ চতুৰ্থ টু প্লাছ টু অৰ্থাৎ প্ৰতিৰক্ষা আৰু বিদেশ সচিব পৰ্যায়ৰ বৈঠক আজি নতুন দিল্লীত আনুষ্ঠিত হয়। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে প্ৰতিৰক্ষা সচিব গিৰিধৰ আৰমানে আৰু বিদেশ সচিব বিক্ৰম মিশ্ৰি বৈঠকত ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিয়ে। ইয়াৰ বিপৰীতে অষ্ট্ৰেলিয়া পক্ষৰ নেতৃত্ব প্ৰতিৰক্ষা বিভাগৰ সচিব গ্ৰেক মোৰিয়াৰ্টি আৰু বিদেশ পৰিক্ৰমা তথা বাণিজ্য বিভাগৰ সচিব জন এডমছে বহন কৰে। মন্ত্ৰালয়ে কৈছে যে বৈঠকত ৰাজনৈতিক, কৌশলগত, প্ৰতিৰক্ষা আৰু সুৰক্ষাৰ লগতে পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ আলোচনা কৰা হয়। আলোচনা কালত দুয়ো পক্ষ্যই ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শান্তি, সুস্থিৰতা আৰু প্ৰগতিৰ উমৈহতীয়া লক্ষ্য দৃশ্য পূৰণৰ আৰু ভাৰত-অষ্ট্ৰেলিয়াৰ মাজৰ ব্যপক কৌশলগত সম্পৰ্কক আগবঢ়াই নিয়াৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা পুনৰ প্ৰকাশ কৰে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ আহিব। ভ্ৰমণকালত শ্ৰী ধনখড়ে মুখ্য অতিথি হিচাপে শ্বিলঙৰ মাওদিয়াংদিয়াঙত মেঘালয় দক্ষতা আৰু উদ্ভাৱন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে শ্বিলঙৰ তথ্য প্ৰযুক্তি উদ্যান আৰু ৰাজভৱন পৰিদৰ্শন কৰিব আৰু মুখ্যমন্ত্ৰী তথা অন্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০০

নিৰ্বাচন আয়োগে আজি মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। আয়োগে আজি দিল্লীত বিয়লি চাৰে তিনি বজাত এখন সংবাদমেলত এই সূচী ঘোষণা কৰাৰ কথা আছে। মহাৰাষ্ট্ৰৰ বৰ্তমানৰ বিধানসভাৰ কাৰ্যকাল অহা ২৬ নৱেম্বৰত সামৰণি পৰাৰ বিপৰীতে ঝাৰখণ্ড বিধানসভাৰ কাৰ্যকাল অহা ৫ জানুৱাৰীত অন্ত পৰিব।

০০০০০০০

ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ ২৬ সংখ্যক সঞ্চালক প্ৰধান হিচাপে আজি পৰমেশ শিৰমণিয়ে দায়িত্ব গ্ৰহণ কৰে। নৌ পৰিবহন আৰু নিৰ্দেশনাৰ বিশেষজ্ঞ শ্ৰী শিৰমণিৰ আদেশত ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ সকলো মুখ্য জাহাজ অন্তৰ্ভুক্ত আছে। নতুন দিল্লীৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা মহাবিদ্যালয় আৰু ৱেলিংটনৰ প্ৰতিৰক্ষা সেৱাসমূহৰ ষ্টাফ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ পৰমেশ শিৰমণিক তেওঁৰ বিশেষ সেৱাৰ বাবে ২০১৪ চনত তৎৰক্ষক পদক আৰু ২০১৯ চনত ৰাষ্ট্ৰপতিৰ তৎৰক্ষক পদক প্ৰদান কৰা হৈছিল। ২০১২ চনত তেওঁ উপকূলৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধানৰ প্ৰশস্তি বঁটাও লাভ কৰিছিল। দায়িত্বভাৰ গ্ৰহণৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত পৰমেশ শিৰমণিয়ে কয় যে, ভাৰতীয় উপকূল ৰক্ষী বাহিনীৰ সামগ্ৰিক বিকাশ আৰু প্ৰগতিৰ বাবে তেওঁ বিশেষ কাৰ্যপন্থা অনুসৰণ কৰিব। তেওঁ সততা, স্বচ্ছতা আৰু বস্তুনিষ্ঠতা এই তিনিটা স্তম্ভক আধাৰ হিচাপে লৈ বিশেষ দৃষ্টিভংগীৰ সৈতে ভাৰতীয় উপকূলৰক্ষী বাহিনীক আগবঢ়াই লৈ যাব বুলিও জানিবলৈ দিয়ে।

০০০০০০০

প্ৰাক্তন ৰাষ্ট্ৰপতি আৰু প্ৰসিদ্ধ বিজ্ঞানী ড০ এ পি জে আব্দুল কালামৰ আজি ৯৩ সংখ্যক জন্ম বাৰ্ষিকী। ড০ এ পি জে আব্দুল কালামৰ শিক্ষাৰ প্ৰতি নিষ্ঠাৰ সন্মানাৰ্থে আজিৰ দিনটো বিশ্ব শিক্ষাৰ্থী দিৱস হিচাপে পালন কৰা হৈছে। এই দিৱসৰ মূল বিষয়বস্তু হৈছে- পৰিৱৰ্তনৰ অভিকৰ্তাৰূপে শিক্ষাৰ্থীসকলৰ সৱলীকৰণ। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ চিন্তা আৰু পৰিকল্পনাই দেশৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ড০ এ পি জে আব্দুল কালামক স্মৰণ কৰি কৈছে যে, ভৱিষ্যদৰ্শী নেতাগৰাকীয়ে লাখ লাখ লোকক বিকশিত আৰু শক্তিশালী ভাৰতৰ হকে কাম কৰিবলৈ উদ্বুদ্ধ কৰিছে। যুৱ প্ৰজন্মই ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ তেওঁৰ অভিযান আগুৱাই লৈ যোৱা উচিত বুলি তেওঁ মন্তব্য কৰিছে।

০০০০০০০

প্ৰসিদ্ধ শিল্পী জয়ন্ত হাজৰিকাৰ আজি মৃত্যু তিথি। তেওঁ ১৯৭৭ চনৰ আজিৰ দিনটোতে ৰাজ্যৰ সংস্কৃতিৰ পথাৰ উকা কৰি চিৰদিনৰ বাবে গুছি গৈছিল। জয়ন্ত হাজৰিকাৰ একেধাৰে গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা গায়ক আছিল। শিল্পীগৰাকীয়ে ৬০ দশক অসমীয়া সংগীত জগতত আত্মপ্ৰকাশ কৰিছিল। ৰানাদা নামেৰে জনপ্ৰিয় জয়ন্ত হাজৰিকা গীতে-মাতে শ্ৰোতাসকলক অনন্য আমোদ প্ৰদান কৰি আহিছে। এই উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰসিদ্ধ শিল্পীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যম যোগে কৈছে যে, জয়ন্ত হাজৰিকাৰ যাদুকৰী কণ্ঠ আৰু সুৰৰ স্বকীয় শৈলীয়ে অসমীয়া সংগীতক নতুন আয়তন দিছিল। প্ৰতিটো প্ৰজন্মৰ

শিৰাই শিৰাই প্ৰবাহিত হৈ থকা শিল্পীগৰাকীৰ গীতসমূহে তেখেতক প্ৰতিগৰাকী শ্ৰোতাৰ হৃদয়ত চিৰকাল জীয়াই ৰাখিব বুলি তেওঁ প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দি আছাম ট্ৰিবিউন গোষ্ঠীৰ সঞ্চালক, অন্যতম স্বত্বাধিকাৰী সুৰজিত গোবিন্দ বৰুৱাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰী সোণোৱালে কৈছে যে, প্ৰয়াত বৰুৱা ৰাজ্যৰ সংবাদ জগতলৈ আগবঢ়াই থৈ যোৱা অনবদ্য অৱদানৰ বাবে স্মৰণীয় হৈ ৰ'ব। মন্ত্ৰীগৰাকীয়ে বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল তথা ট্ৰিবিউন গোষ্ঠীৰ সদস্যসকললৈ গভীৰ সমবেদনা প্ৰকাশ কৰে।

০০০০০০০

বিহাৰৰ পাটনাত অনুষ্ঠিত ৰাষ্ট্ৰীয় ডবা প্ৰতিযোগিতাৰ ১৪ বছৰ অনুৰ্ধৰ ছোৱালী শাখাত গোলাঘাটৰ অনামিত্ৰা গোৱালাই ব্ৰঞ্জৰ পদক লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। জিলাখনৰ বনগাঁৱৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰীগৰাকীৰ সাফল্যত স্বাভাৱিকতে অঞ্চলবাসীয়ে আনন্দ প্ৰকাশ কৰিছে। সাংবাদিকৰ আগত প্ৰকাশ কৰা অনুসৰি ভৱিষ্যতৰ দিনত অধিক প্ৰশিক্ষণ গ্ৰহণ কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ আশা কৰাৰ লগতে অসমৰ গ্ৰামাঞ্চলত ডবা খেলৰ প্ৰসাৰৰ বাবে পদক্ষেপ ল'বলৈ অনামিত্ৰাই চৰকাৰ তথা ক্ৰীড়া বিভাগক আহ্বান জনায়ছে।

০০০০০০০

**সমাপ্ত**